No. of Printed Pages : 4 **BAALA-135**

# B.A. General (BAG)
# Term-End Examination
# December, 2025

## BAALA-135 : Modern Indian Language : Assamese

*Duration : 3 Hours* *Maximum Marks: 100*

ছপা কৰা পৃষ্ঠাৰ সংখ্যা: 4 **BAALA-135**

# বি.এ. সাধাৰণ (BAG)

## টাৰ্ম-সমাপ্তি পৰীক্ষা

## ডিচেম্বৰ-2025

## BAALA-135: আধুনিক ভাৰতীয় ভাষা: অসমীয়া

সময়: *3* ঘন্টা সৰ্বাধিক নম্বৰ: *100*

---

*টোকা:* প্ৰতিটো প্ৰশ্নৰ মূল্যাংক কাষত দিয়া আছে।

---

1. তলৰ প্ৰশ্নসমূহৰ চমু উত্তৰ লিখক (যিকোনো ১০ টা). 10x1=10



Downloaded from www.IGNOUBABA.com

a) অসমৰ প্ৰাচীনতম নাম কি আছিল?

b) 'অসমীয়া ভাষা আৰু সংস্কৃতি' শীৰ্ষক গ্ৰন্থখনৰ ৰচকজন কোন আছিল?

c) প্ৰথম অসমীয়া আধুনিক নাটকখনৰ নাম লিখক।

d) 'নাহৰৰ' গীত কোন শ্ৰেণীৰ মলিতা?

e) 'ইংলন্ডৰ বিৱৰণ' পাঠটি কোন চনত প্ৰকাশ পাইছিল?

f) য়েছে দৰজে ঠংচি অৰুনাচল প্ৰদেশৰ কোণ জন গোষ্ঠী লোক?

g) "বাঁহনি" শব্দটোৰ প্ৰত্যয় ভাঙি দেখুৱাওক।

h) "মই <u>পঢ়িবলৈ</u> ভাল পাওঁ " আঁচটনা ক্ৰিয়া শব্দটোৰ নাম লিখক

i) নতুন মাধ্যম বুলিলে কাক বুজা যায়?

j) "সূৰ্য উদয় হ'লত পদুম ফুল ফুলিল" – বাক্যটোৰ অসমাপিকা ক্ৰিয়াটো বাছি উলিয়াওক।

k) "সলিল ৰাশি" শব্দৰ অৰ্থ লিখক।

l) পূজাৰ বন্ধত <u>শিৱসাগৰলৈ</u> যাম – আঁচটনা পদটোত কি কাৰকৰ বিভক্তি যোগ দিয়া হৈছে?

2. তলৰ প্ৰশ্নবোৰৰ উত্তৰ লিখক (যিকোনো ৫টা). 5x5=25

a) চৰ্যাপদৰ ভাষাৰ বিষয়ে লিখক।

b) 'ভোজন বেহাৰ' নাটত মাধৱদেৱৰ মৌলিকত্বৰ বিষয়ে লিখক।

c) নৱবৈষ্ণৱ ভক্তি আন্দোলনৰ বিষয়ে লিখক

d) অসমীয়া কাৰক প্ৰকৰণৰ বিষয়ে লিখক।



Downloaded from www.IGNOUBABA.com

e) 'সাগৰ দেখিছো' কবিতাটোত প্ৰেমৰ অনুভৱ কেনেদৰে প্ৰকাশ পাইছে লিখক।

f) সাম্প্ৰতিক অসমীয়া সাহিত্যৰ বিষয়ে লিখক।

g) মাধৱ কন্দলিৰ ৰামায়নৰ কাব্যাংশৰ কাব্যিক সৌন্দৰ্য বিচাৰ কৰক।

3. তলত দিয়া শব্দবোৰৰ অৰ্থ লিখক (যিকোনো ১০টা). 10x1/2=5

বদন, পৱন, আদিত্য, কমল, পাৱ, থুপি, বিদূৰে, চবিন, উপাদ, নিসান, তাসুক, পৈশল।

4. তলৰ শব্দবোৰৰ সমাৰ্থক লিখক (যিকোনো ৫টা). 5x1=5

জগত, সংবাদ, পখী, নিশা, বতাহ, আকাশ, বিষাদ

5. তলৰ ক্ৰিয়াপদবোৰৰ উপাদানসমূহ খন্ড খন্ডকৈ দেখুৱাওক (যিকোনো ১০টা). 10x1=10

কৰিছিলোঁ, শুনিছিল, মৰিছিলি, আছোঁ, মাৰিছোঁ, শুনিলোঁ, আনিম, খুৱাইছিলোঁ, ভুকুৱালোঁ, আঙুলিয়াব, পঢ়ালোঁ, নিলিখিব, আনিবলৈ।

6. চমূটোকা লিউখক (যিকোনো ৩টা) 3x5=15

a) মাধৱ কন্দলিৰ কাব্যৰীতি

b) পাঁচনি ক্ৰিয়া

c) তিব্বতবৰ্মীয় ভাষা গোষ্ঠী

d) লিখন কলাৰ বিষয় নিৰ্বাচন

7. a) 'ভোজন বেহাৰ' নাটত আদি দশমৰ প্ৰভাৱ আৰু মাধৱদেৱৰ মৌলিকত্ব সম্পৰ্কে লিখক 10

অথবা



Downloaded from www.IGNOUBABA.com

b) আনন্দৰাম ঢেকিয়াল ফুকনৰ 'ইংলণ্ডৰ বিৱৰণ' শীর্ষক পাঠটিৰ আধাৰত সেই সময়ৰ দেশবাসীৰ দুৰৱস্থাৰ সম্পৰ্কে লিখক।

8. a) তান্ত্ৰীকৃচিত শংকৰদেৱৰ দ্বাৰা সম্পাদিত কাম কি কি আছিল লিখক। 10

অথবা

b) 'বাহঁফুলৰ গোন্ধ' গল্পৰ মাজেৰে পৰিস্ফুট হোৱা অৰুনাচলৰ জনজাতীয় সমাজখনৰ বিষয়ে এটি আলচ যুক্ত কৰক।

9. a) সম্পাদকলৈ লিখা চিঠিৰ আৰ্হি কেনেধৰণৰ হ'ব লাগে লিখক। 10

অথবা

b) অসমীয়া ক্ৰিয়াৰ কাল আৰু ভাৱ সম্পৰ্কে লিখক।



Downloaded from www.IGNOUBABA.com